# NAAC PEER TEAM'S VISIT TO SARAIGHAT COLLEGE ON 20TH & 21ST APRIL, 2023

গুৱাহাটী

Guwahati, Sunday, April 23, 2023

দৈনিক জনমভূমি



## শৰাইঘাট মহাবিদ্যালয় পৰিদৰ্শন 'নাক'ৰ




**মহানগৰ ব্যুৰ'**, ২২ এপ্ৰিল ঃ যোৱা ২০ আৰু ২১ এপ্ৰিলত চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয় নেশ্যনেল এক্ৰিডিয়েশ্যন এণ্ড এছেছমেণ্ট কাউন্সিল চমুকৈ 'নাক'ৰ এটা তিনিজনীয়া দলে পৰিদৰ্শন কৰে। ওড়িষাৰ ভুৱনেশ্বৰৰ ইন্‌ষ্টিটিউট অব্ ছ'চিয়েল ছায়েন্সৰ উপাচাৰ্য দীপক কুমাৰ বাহৰা, উত্তৰাখণ্ডৰ কৌমান বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক মহেশ চি যোশী আৰু অন্ধ্ৰ প্ৰদেশৰ শ্ৰীদুৰ্গা মালেশ্বৰ সিদ্ধাৰ্থ মহিলা কলাশালাৰ অধ্যক্ষা বিজয়া লক্ষ্মীটিয়ে সামগ্ৰিকভাৱে মহাবিদ্যালয়খনৰ বাহ্যিক আৰু অভ্যন্তৰীণভাবে মূল্যায়ন কৰে। প্ৰথমদিনা দলটোৱে পুৱা ৭-৩০ বজাৰ পৰা সন্ধিয়া ৭-৩০ বজালৈ মহাবিদ্যালয়খনত উপস্থিত থাকে। শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানক তেওঁ ভূয়সী প্ৰশংসা কৰে। দ্বিতীয়দিনা বিভিন্ন মূল্যায়নৰ পাছত অনুষ্ঠিত সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাৰ হাতত পৰিদৰ্শনকাৰী দলটোৱে ৰিপৰ্ট প্ৰদান কৰে। অনুষ্ঠানত অভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ সমন্বয়ক ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক নৱজ্যাতি পাটোৱাৰীয়ে সকলোৰে শলাগ লৈ চমু বক্তব্য ৰাখে।